প্ৰথম অধ্যায়

# অৰ্থশাস্ত্ৰৰ পৃথক বিভাগ হিচাপে আন্তঃৰাষ্ট্ৰীয় অৰ্থবিজ্ঞান (International Economics as a distinct Branch of Economics)

**আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু অৰ্থশাস্ত্ৰৰ সংজ্ঞা (Definition of International Trade and Economics)**

দুখন বা ততোধিক দেশৰ মাজত দ্ৰব্য-সামগ্ৰী সেৱাৰ বাণিজ্যই আন্তঃৰাষ্ট্ৰীয় বাণিজ্য নামেৰে পৰিচিত। আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ কাৰণ বিচাৰ কৰিলে দেখা যায় যে পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন দ্ৰব্য-সামগ্ৰী উৎপাদনৰ অৰ্থে প্ৰয়োজন হোৱা উৎপাদনৰ উপাদানসমূহৰ বিতৰণ সমান নহয়। কিছুমান অঞ্চলত অপৰ্যাপ্ত পৰিমাণে খনিজ, বনজ ইত্যাদি প্ৰাকৃতিক সম্পদ পোৱা যায় আৰু কিছুমান অঞ্চলত ভূমি, শ্ৰম, প্ৰযুক্তি বিদ্যাৰ দৰে সম্পদৰ প্ৰাচুৰ্যতা পৰিলক্ষিত হয়। সম্পদৰ প্ৰাচুৰ্যতাৰ এনে পাৰ্থক্যৰ কাৰণে এখন দেশে নিজৰ প্ৰয়োজন হোৱা সকলোবোৰ দ্ৰব্য-সামগ্ৰীৰ উৎপাদন কৰি ল'ব নোৱাৰে। যিবোৰ দ্ৰব্য-সামগ্ৰী দেশীয়ভাৱে উৎপাদনৰ সুবিধাৰ অভাৱ অথবা যিবোৰ দ্ৰব্য-সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত এখন দেশৰ আন এখন দেশতকৈ সুবিধা কম তেনে দ্ৰব্য-সামগ্ৰীসমূহ দেশখনে উক্ত দ্ৰব্য-সামগ্ৰীৰ উৎপাদনত সুবিধা থকা দেশসমূহৰপৰা আমদানি কৰে আৰু যিবোৰৰ উৎপাদনৰ ক্ষেত্ৰত দেশখনৰ সুবিধা আছে তেনে দ্ৰব্য-সামগ্ৰী আন দেশলৈ ৰপ্তানি কৰে। উদাহৰণস্বৰূপে প্ৰাকৃতিক সুবিধাৰ কাৰণে ভাৰতবৰ্ষত যি পৰিমাণৰ চাহ উৎপাদন হয়, তাৰদ্বাৰা দেশীয় চাহিদা পূৰণ কৰাৰ উপৰিও যথেষ্ট পৰিমাণৰ চাহ বিদেশলৈ ৰপ্তানি কৰিব পৰা যায়। গতিকে ভাৰতবৰ্ষই চাহ বিদেশলৈ ৰপ্তানি কৰি বিদেশৰপৰা আন প্ৰয়োজনীয় দ্ৰব্য আমদানি কৰে। উল্লেখযোগ্য যে দুখন বা ততোধিক দেশৰ মাজত হোৱা বাণিজ্যৰ দৰে এখন দেশৰ দুটা বা ততোধিক অঞ্চলৰ মাজত বেপাৰ-বাণিজ্য সংঘটিত হয়। এনে বাণিজ্যক আন্তঃআঞ্চলিক বাণিজ্য বা আভ্যন্তৰীণ বাণিজ্য আখ্যা দিয়া হয়। আন্তঃৰাষ্ট্ৰীয় বাণিজ্য আৰু আভ্যন্তৰীণ বাণিজ্যৰ ভিত্তি একেটাই। অৰ্থাৎ দুখন দেশৰ দুটা দ্ৰব্যৰ উৎপাদনৰ ক্ষেত্ৰত থকা প্ৰাকৃতিক আৰু আন সুবিধাৰ কাৰণে উৎপাদনী ব্যয় আৰু দ্ৰব্য দুটাৰ দৰৰ পাৰ্থক্যৰ কাৰণে দেশ দুখনৰ মাজত দ্ৰব্য দুটাৰ বাণিজ্য আৰম্ভ হয়। অনুৰূপ কাৰণতেই এখন দেশৰ দুটা বা ততোধিক অঞ্চলৰ মাজত দ্ৰব্য-সামগ্ৰীৰ বেপাৰ আৰম্ভ হয়।